অসম

ডিব্রুগড়ত ‘বন্ধু’ শীর্ষক স্বৰচিত গীতৰ শুভ উন্মোচন

প্রকাশ: ২৭ নৱেম্বৰ ২০২৬, আবেলি ৬:৪৯



(Ainul Ahmed)

বিশিষ্ট কণ্ঠশিল্পী বিদ্যা সাগৰৰ কণ্ঠৰে সজোৱা গীতটো উন্মোচন কৰিলে ডিব্রুগড় বিশ্ববিদ্যালয়ৰ উপাচার্য জিতেন হাজৰিকাই।ডিব্রুগড়ত উন্মোচন কৰা হ’ল ‘বন্ধু’ শীর্ষক এটি স্বৰচিত গীত। অসমৰ বিশিষ্ট কণ্ঠশিল্পী বিদ্যা সাগৰৰ কণ্ঠৰে সজাই তোলা গীতটোৰ শুভ উন্মোচনী অনুষ্ঠান আজি ডিব্রুগড়ৰ হনুমানবক্স সূৰজমল কানৈ মহাবিদ্যালয়ৰ শ্রীমন্ত শংকৰদেৱ প্রেক্ষাগৃহত অনুষ্ঠিত হয়।

ৰাজনীতিবিদ তথা জ্যোতি চিত্রবনৰ উপাধ্যক্ষ সুনীল ৰাজকোঁৱৰৰ প্রযোজনা আৰু পৰিচালনাত নির্মিত গীতটোৰ শুভ উন্মোচন কৰে ডিব্রুগড় বিশ্ববিদ্যালয়ৰ উপাচার্য জিতেন হাজৰিকাই।

অনুষ্ঠানত অসম চিকিৎসা মহাবিদ্যালয়ৰ অধ্যক্ষ ডা□ সঞ্জীৱ হাজৰিকা, সূৰজমল কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড□ শশীকান্ত হাজৰিকাকে ধৰি অসমৰ বিভিন্ন প্রান্তৰ বহু গণ্য-মান্য ব্যক্তি, সাহিত্য-সংস্কৃতিৰ সৈতে জড়িত ব্যক্তি আৰু সংগীতপ্রেমী উপস্থিত থাকে। এই সন্দর্ভত চাওঁ আহক আমাৰ এই বিশেষ প্রতিবেদন।

সংগীতৰ মাজেৰে বন্ধুত্ব, মৰম আৰু মানৱীয় সম্পর্কৰ এক সুন্দৰ বার্তা। এই বার্তাকে সাৰোগত কৰি ডিব্রুগড়ত শুভ উন্মোচন কৰা হ’ল ‘বন্ধু’ শীর্ষক এটি স্বৰচিত গীত।

শুকুৰবাৰে বিয়লি ২ বাজি ২০ মিনিটত ডিব্রুগড়ৰ হনুমানবক্স সূৰজমল কানৈ মহাবিদ্যালয়ৰ শ্রীমন্ত শংকৰদেৱ

প্রেক্ষাগৃহত অনুষ্ঠিত হয় গীতটোৰ শুভ উন্মোচনী অনুষ্ঠান।

ৰাজনীতিবিদ তথা জ্যোতি চিত্রবনৰ উপাধ্যক্ষ সুনীল ৰাজকোঁৱৰৰ প্রযোজনা আৰু পৰিচালনাত নির্মাণ কৰা গীতটিত কণ্ঠদান কৰিছে অসমৰ বিশিষ্ট কণ্ঠশিল্পী বিদ্যা সাগৰে। গীতটো আনুষ্ঠানিকভাৱে উন্মোচন কৰে ডিব্রুগড় বিশ্ববিদ্যালয়ৰ উপাচার্য জিতেন হাজৰিকাই।

অনুষ্ঠানৰ আৰম্ভণিতে ডিব্রুগড়ৰ প্রয়াত কণ্ঠশিল্পী চন্দন পাঠকৰ প্রতিচ্ছবিত বন্তি প্রজ্বলন কৰি তেওঁৰ স্মৃতিত শ্রদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। লগতে প্রয়াত শিল্পীগৰাকীৰ আত্মাৰ সদ্গতি কামনা কৰা হয়।

এই অনুষ্ঠানত অসম চিকিৎসা মহাবিদ্যালয়ৰ অধ্যক্ষ ডা□ সঞ্জীৱ হাজৰিকা, সূৰজমল কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড□ শশীকান্ত হাজৰিকাকে ধৰি ডিব্রুগড় তথা অসমৰ বিভিন্ন প্রান্তৰ বহু বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

অনুষ্ঠানত উপস্থিত বিশিষ্ট ব্যক্তিসকলে সুনীল ৰাজকোঁৱৰৰ এই সৃষ্টিশীল প্রচেষ্টাৰ শলাগ লোৱাৰ লগতে সংগীতৰ জৰিয়তে বন্ধুত্ব আৰু মানৱীয় অনুভূতিৰ প্রকাশৰ এই পদক্ষেপক আদৰণি জনায়।

উল্লেখ্য যে, এই অনুষ্ঠানলৈ সদৌ অসম সাংবাদিক সন্থাৰ ডিব্রুগড় জিলা সমিতিৰ বিষয়ববীয়া তথা সদস্য-সদস্যাসকলকো বিশেষভাৱে আমন্ত্রণ জনোৱা হৈছিল।

সংগীতৰ জৰিয়তে মানুহৰ মাজত মৰম, আন্তৰিকতা আৰু বন্ধুত্বৰ বান্ধোন অধিক সুদৃঢ় কৰাৰ লক্ষ্যৰে আগবঢ়োৱা এই পদক্ষেপে ডিব্রুগড়ৰ সাংস্কৃতিক ক্ষেত্রখনত এক নতুন সংযোজন ঘটালে।

প্রযোজক-পৰিচালক সুনীল ৰাজকোঁৱৰৰ এই প্রচেষ্টাই সংগীতপ্রেমী ৰাইজৰ মাজত সমাদৰ লাভ কৰিব বুলি আশা প্রকাশ কৰিছে উদ্যোক্তাসকলে। ‘বন্ধু’ শীর্ষক এই গীতটোৱে অনাগত দিনত শ্রোতাৰ হৃদয় জয় কৰিবলৈ সক্ষম হ'ব বুলি আশা কৰা হৈছে।

এই খবৰটো NewzNow-ত প্রথমে প্রকাশ হৈছিল। সম্পূর্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/6968/dibrugorot-bondhu-sirsok-sborosit-gitor-subh-unmoson